# ৰাভা দিৱস পালন নৱজ্যোতি মহাবিদ্যালয়ৰ



গণ বাৰ্তা, কলগাছিয়া, ২০ জুন ঃ নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰাঙ্গণত দুদিনীয়া কাৰ্যসূচীৰে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু বাৰ্ষিকী উদযাপন কৰে। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° নিতু চহৰীয়াই আঁত ধৰা উক্ত অনুষ্ঠানত প্ৰথম দিনা সভাপতিৰ আশন অলংকৃত কৰে মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী সহযোগী অধ্যাপিকা তথা মহাবিদ্যালয়ৰ উপাধ্যক্ষ সুশীল কুমাৰ সৰকাৰদেৱে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদে। ইয়াৰ উপৰিও সভাত উপস্থিত থাকে নৱজ্যোতি মহাবিদ্যালয়ৰ শৈক্ষিক পৰ্যবেক্ষক তথা পদাৰ্থ বিজ্ঞানৰ মুৰব্বী সহযোগী অধ্যাপক কুমাৰোজ জামান আৰু লগতে উপস্থিত থাকে ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক চাহেব উদ্দিন খান, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ছৈয়দা হামিদা খাতুন, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিত কোষৰ সমন্বয়ক তথা অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ছামছুল হ'ক, শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক আব্দুল কুদ্দুছ। ইয়াৰ উপৰিও অনুষ্ঠানত উপস্থিত থাকে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকাসকল। সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক কুমাৰোজ জামান। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ছৈয়দা হামিদা খাতুন, ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° ধ্ৰুৱজ্যোতি দাস, অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° কাকলি হাজৰিকা, আৰু লগতে উপস্থিত থাকে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা নয়নমণি দেৱী। দুদিনীয়া কাৰ্যসূচীত এই সমল ব্যক্তিসকলে বিষ্ণুৰাভাৰ জীৱন, তেওঁৰ শৈক্ষিক দিশ, ৰাজনৈতিক দিশ, আৰু সাহিত্য আৰু গীতৰ সম্পৰ্কে বিষদভাৱে ছাত্ৰ-ছাত্ৰীসকলক উপযোগী হোৱাকৈ তেওঁলোকৰ বহুমূলীয়া বক্তব্য প্ৰদান কৰে। ইয়াৰ পিছতে ছাত্ৰ একতা সভাৰ সাংস্কৃতি বিভাগৰ শিক্ষক তত্বাবধায়ক প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ছামছুল আলম আৰু অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা মেঘালী মৰাণে ৰাভা সংগীত পৰিৱেশন কৰে। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা সকলেও গীত আৰু কবিতা আবৃতি কৰে। অনুষ্ঠানৰ শেষত মহাবিদ্যালয়ৰ উপাধ্যক্ষ আৰু সভাৰ সভাপতিয়ে ছাত্ৰ-ছাত্ৰীসকলক বিষ্ণু ৰাভাৰ সম্পৰ্কে আৰু অধিক অধ্যয়ন কৰিবলৈ পৰামৰ্শ আগবঢ়ায় আৰু শেষত শলাগৰ শৰাই আগবঢ়ায় প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী ছামছুল আলমে।